**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***-----------------------***

১। ৰাজ্যৰ ৫টা বিধান সভা সমষ্টিৰ ভোটগণনা আৰম্ভ। আজি দুপৰীয়াৰ ভিতৰত প্ৰাৰম্ভিক ফলাফল প্ৰকাশ পোৱাৰ সম্ভাৱনা।

২। মহাবিদ্যালয়ত শিক্ষক নিযুক্তিৰ বাবে কেন্দ্ৰীয় লোকসেৱা আয়োগ অথবা অসম লোকসেৱা আয়োগৰ আহিত হ'ব পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

৩। গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি চতুৰ্থ দিন। *আৰু*

৪। বৰপেটা জিলাৰ ভৱানীপুৰত সংঘটিত পথ দুৰ্ঘটনাত ৪ জন লোকৰ মৃত্যু।

০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কিছু সময়ৰ পূৰ্বে আৰম্ভ হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ মুঠ ৬৮ খন ভোটগণনা মেজত ভোটগণনা কৰাৰ পূৰ্বে মুঠ ৯ খন মেজত ডাকযোগে অহা বেলট কাকতসমূহ গণনাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পাছত ৮৫ বছৰ উৰ্ধৰ ভোটদাতাসকলে বেলট কাকতত দিয়া ভোটসমূহ গণনা কৰা হ'ব। দুপৰীয়াৰ ভাগত ভোটগণনাৰ প্ৰাৰম্ভিক ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে আৰু ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ভোটগণনাৰ ফলাফল প্ৰাৰ্থী আৰু সংবাদ মাধ্যমক জনোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই সমষ্টিকেইটাত যোৱা ১৩ নৱেম্বৰত অনুষ্ঠিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণত সামগ্ৰিকভাৱে প্ৰায় ৭৬ শতাংশ ভোটাদাতাই ভোটদান কৰিছিল।

নগাঁও জিলা চামগুৰি বিধানসভা সমষ্টিৰ ভোটগণনা কাৰ্য আজি পুৱা ৮ বজাৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত আৰম্ভ হৈছে। ভোটগণনা কাৰ্য এই পৰ্যন্ত সুকলমে চলি আছে আৰু মুঠ ১৫টা ৰাউণ্ডত ভোটগণনা সম্পন্ন হ'ব বুলি আমাৰ নগাঁৱৰ সংবাদদাতাই জানিবলৈ দিয়ে।

ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰো আজি ভোটগণনা কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই

অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০

ৰাজ্যত মহাবিদ্যালয়সমূহত শিক্ষক নিযুক্তিৰ বাবে এতিয়াৰে কেন্দ্ৰীয় লোকসেৱা আয়োগ অথবা অসম লোকসেৱা আয়োগৰ আৰ্হিত পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰে ইতিপূৰ্বে সংশোধন কৰা অসম মহাবিদ্যালয় কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইনৰ অধীনত এনে ব্যৱস্থা বলৱৎ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মহাবিদ্যালয়সমূহৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ বাবে নতুন সেৱা নিধিৰ সচৰা সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সৈতে শেহতীয়াকৈ অনুষ্ঠিত অসম কলেজ শিক্ষক সন্থা আৰু অসম কলেজ অধ্যক্ষ পৰিষদৰ এখন বৈঠকত এই বিষয়ে আলোচনা কৰি সিদ্ধান্ত লোৱা হয়। প্ৰাদেশিকীকৃত মহাবিদ্যালয়ৰ শিক্ষক আৰু অনা-শিক্ষক পদৰ নিযুক্তি সম্পৰ্কীয় বিভিন্ন নিয়মৰ সংশোধনীৰে অসম মহাবিদ্যালয় কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইন ২০০৫ৰ অধীনত এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিচৰা হৈছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে ২০২৫ চনত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে অহা ২৫ নৱেম্বৰত প'ৰ্টেল পুনৰ মুকলি কৰিব। সেই অনুসৰি প্ৰ-পত্ৰ পূৰণৰ বাকী থকা সকলো কাম ২৬ নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। একেদৰে মাচুল আদায়ৰ অন্তিম তাৰিখ ২৭ নৱেম্বৰ নিৰ্ধাৰণ কৰা হৈছে। প্ৰ-পত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনোৱাব। লগতে অফলাইনত কোনোধৰণৰ প্ৰ-পত্ৰ গ্ৰহণ কৰা নহয় বুলি প্ৰকাশ কৰিছে।

০০০০০০

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনিৰ মহাৰজত জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠান আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত অনুষ্ঠিত হ'ব। যোৱা বৰ্ষৰ ২৩ নৱেম্বৰত শিলচৰত উদ্বোধন কৰা মহাৰজত জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান গুৱাহাটীৰ চানমাৰিত অৱস্থিত প্ৰাথমিক শিক্ষক সন্মিলনিৰ শিক্ষক ভৱনৰ সভাকক্ষ আৰু গুৱাহাটী কমাৰ্চ কলেজৰ প্ৰেক্ষাগৃহত এই সন্মিলনিৰ মহাৰজত জয়ন্তী সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। এই জয়ন্তীত অসমৰ শিক্ষক সমাজৰ প্ৰাক্তন বিষয়ববীয়া আৰু বৰ্তমান তথা প্ৰাক্তন শিক্ষামন্ত্ৰীসকলৰ সৈতে এটা আলোচনাৰ আয়োজন কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বিবিধ ভাৰতী চেনেলৰ পৰা প্ৰচাৰিত মুখ্য বাতৰিৰ সময়সূচী অহা ১ ডিচেম্বৰৰ পৰা সামান্য পৰিৱৰ্তন ঘটোৱা হ'ব। সেই অনুসৰি দিনৰ ১০ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি সেইদিনাৰ পৰা পুৱা ৭ বাজি ২৮ মিনিটত আৰু সন্ধিয়া ৬ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

গোৱাত চলি থকা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি চতুৰ্থ দিন। মহোৎসৱৰ প্ৰতিযোগিতা সম্পৰ্কীয় বঁটা আৰু চিনেমা সম্পৰ্কে আমাক সবিশেষ জনাইছে গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে।

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

০০০০০০

বৰপেটা জিলাৰ ভৱানীপুৰত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত চাৰিজন লোক মৃত্যুমুখত পৰে। এই দুৰ্ঘটনাত এটি শিশুকে ধৰি আন তিনিজন লোক আহত হয়। আকাশবাণীৰ বৰপেটাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে নলবাৰীৰ পৰা ৰাসৰ কাৰ্যসূচী উপভোগ কৰি বৰপেটাৰ যতিগাঁৱলৈ উভতি অহা এইলোককেইজনক কঢ়িয়াই অনা গাড়ীখনে পুৱতি নিশা ভৱানীপুৰৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ৰৈ থকা এখন ট্ৰাকত পাছফালৰ পৰা খুন্দা মাৰে। এই দুৰ্ঘটনাত তেওঁলোকৰ গাড়ীখনৰ সন্মুখখন ভাগি যোৱাৰ লগতে চাৰিজন লোকে থিতাতে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাটোত আহত লোককেইজনক আৰক্ষীয়ে বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

০০০০০০

ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ১৪ নৱেম্বৰত আৰম্ভ হোৱা ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা চমুকৈ আই আই টি এফৰ অসম পেভিলিয়ন পৰিদৰ্শন কৰে। ইণ্ডিয়ান ট্ৰেড প্ৰমোচন অৰ্গনাইজেচনে আয়োজন কৰা এই বাণিজ্য মেলাত অসমৰ বিপণীসমূহে ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগৰ আয়ুক্তৰ কাৰ্যালয়ৰ অধীনত অংশগ্ৰহণ কৰিছে। মন্ত্ৰী বৰাই অসম পেভিলিয়নৰ বিপণীসমূহ পৰিদৰ্শন কৰি প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। এই মেলাত অসমৰ ৭৭টা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগত চমুকৈ এম এছ এম ইয়ে অংশগ্ৰহণ কৰাৰ লগতে ৫টাকৈ চৰকাৰী বিভাগেও অংশগ্ৰহণ কৰিছে। মন্ত্ৰী বিমল বৰাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে উদ্যোগ আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত এক বিশেষ স্তৰত উপনীত হৈছে বুলি উল্লেখ কৰে। মন্ত্ৰী বৰাই তেওঁৰ ভাষণত ৰাজ্যৰ উদ্যোগখণ্ডৰ শেহতীয়া খতিয়ান দাঙি ধৰাৰ লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, ষ্টাৰ্টআপ অসমৰ পৰা আৰম্ভ কৰি ৰাজ্য চৰকাৰে শেহতীয়াভাৱে গ্ৰহণ কৰা কাষ্টমাইজ পলিচি সন্দৰ্ভতো ভাষণত উল্লেখ কৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত উপ নিৰ্বাচনৰ ভোটগণনা, আদানি কাণ্ড আৰু শিল্পী মনেশ্বৰ ব্ৰহ্মৰ অকাল বিয়োগৰ বাতৰি সবিস্তাৰে প্ৰকাশ হৈছে।

মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰা সহকাৰী অধ্যাপক, চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৈকে নিযুক্তি প্ৰক্ৰিয়া সলনি হ'ব। এই বাতৰি **দৈনিক অসম** কাকতে অধ্যক্ষৰ পৰা চতুৰ্থবৰ্গলৈকে প্ৰাৰ্থী বাছনি কৰিব নিযুক্তি বোৰ্ডে শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে কেনিয়াই বাতিল কৰিলে আদানীৰে শক্তি উৎপাদন চুক্তি শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

উচ্চ প্ৰাথমিক আৰু হাইস্কুলত বাধ্যতামূলক বিষয়ৰ লগতে ঐচ্ছিক বিষয় হিচাপে শিক্ষাৰ্থীয়ে জনগোষ্ঠীয় ভাষাকো বিষয় হিচাপে গ্ৰহণ কৰিব পাৰিব। এই বাতৰি প্ৰকাশ কৰি **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম ২০২৫-২৬ বৰ্ষত দ্বিতীয় শ্ৰেণীলৈ জনগোষ্ঠীয় ভাষাত আৰম্ভ হ'ব পাঠদান।

অসমৰ ৫ গৰাকী যুৱশিল্পীসহ দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী যুৱ শিল্পীক শুকুৰবাৰে নতুন দিল্লীত সংগীত নাটক অকাডেমীৰ ওস্তাদ বিছমিল্লা খাঁ যুৱ বঁটা প্ৰদান কৰা হয়। এই বাতৰি প্ৰকাশ কৰি **আমাৰ অসম** বাতৰিৰ শিৰোনাম অসমৰ ৫ জনলৈ সংগীত নাটক একাডেমীৰ যুৱ বঁটা প্ৰদান কৰা হয়।

বঙাইগাঁৱৰ বইটামাৰীত সংঘটিত পথ দুৰ্ঘটনাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে খুন্দিয়াই প্ৰাণ ল'লে পিতৃ-কন্যা, ক্ষুব্ধ জনতাই জ্বলাই দিলে দ্ৰুতবেগী বাছ শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

আজি ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বহু প্ৰত্যাশিত ফলাফল  শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে উপ নিৰ্বাচনৰ ভোটগণা সম্পৰ্কীয় এটা বাতৰি প্ৰকাশ কৰিছে।

কাজিৰঙাত ঢেকীয়াপতিয়াৰ ওপৰত অত্যাচাৰ চলোৱা ৮ জনক গ্ৰেপ্তাৰ শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

অসমত কেন্সাৰ ৰোগ সম্পৰ্কীয় এটা বাতৰি প্ৰকাশ কৰি **দি আছাম ত্ৰিবিউন** কাকতৰ শিৰোনাম Plan to Screen State's entire eligible popilation for cancer within 2 years.

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

যোৰহাট ষ্টেডিয়ামত আজি সন্ধিয়া যোৰহাট মিউজিক ফেষ্টিভেল ২০২৪ অনুষ্ঠিত হ'ব। প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই ফেষ্টিভেলত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় স্তৰত জিলিকি উঠা বহুকেইজন শিল্পীয়ে সংগীত পৰিৱেশন কৰিব। এই অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ লগতে, জয় বৰুৱা, শংকুৰাজ কোঁৱৰ, জংকি দত্ত, ডি জে ওবেডাৰ, প্ৰেডিং ৰোট বেণ্ড আদিয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰিব।

০০০০০০

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টেষ্টৰ আজি দ্বিতীয় দিনা ৯ উইকেটৰ বিনিময়ত ৯৩ ৰান সংগ্ৰহ কৰিছে।

ভাৰতে কালি খেলখনৰ প্ৰথম দিনা টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ বেটিং বিপৰ্যয়ৰ সন্মুখীন হয় আৰু  প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ টেষ্ট ক্ৰিকেটত অভিযেক ঘটা নীতিশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৫৯টা বলত ৪১ ৰাণ সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ হেজেলউডে ২৯ ৰান দি চাৰিটা আৰু মিচ্চেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট সংগ্ৰহ কৰে। ইয়াৰ পাছত প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি অষ্ট্ৰেলিয়াৰ বেটছমেন

সকলো শ'লঠেকত পৰে আৰু ৬৭ ৰানতে ৭টাকৈ উইকেট হেৰুৱাই। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই চাৰিটা, মহম্মদ চিৰাজে দুটা আৰু হৰ্ষিত ৰাণাই এটা উইকেট লাভ কৰে।

০০০০০০

শিৱসাগৰ ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰ পৰা পিয়লি ফুকন ষ্টেডিয়ামত শিৱসাগৰ ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাত আমগুৰি ফুটবল ক'চিং চেণ্টাৰ, শিৱসাগৰ শিশু ফুটবল ক'চিং, শিৱসাগৰ ফুটবল ক্লাব, গোহাঁইবাৰী ফুটবল ক'চিং আদিকে ধৰি দহটা দলে অংশগ্ৰহণ কৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম ৰেঞ্চৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

চৰাইদেউ জিলাত অহা ২ ডিচেম্বৰৰ পৰা কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় কুষ্ঠ নিৰ্মূল কাৰ্যসূচীৰ অংশ হিচাপে জিলাখনৰ ১ লাখৰো অধিক লোকৰ ঘৰে ঘৰে এই অভিযান চলিব। স্বাস্থ্য বিভাগৰ বিশেষ দলে কুষ্ঠৰোগ চিনাক্তকৰণ অভিযানত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচী সুকলমে সম্পন্ন কৰাৰ বাবে চৰাইদেউৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত সমাজ কল্যাণ, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ লগতে শ্ৰম বিভাগৰ বিষয়া উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে প্ৰতিটো বিভাগকে তেওঁলোকৰ ওপৰত ন্যস্ত দায়িত্ব আৰু কৰ্তব্য সুকলমে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে জিলাখনত ৪৮৬টা দলে ঘৰে ঘৰে গৈ এই অভিযানত অংশগ্ৰহণ কৰিব। এই দলসমূহত এগৰাকী আশা কৰ্মী আৰু এজন পুৰুষ স্বেচ্ছাসেৱক থাকিব।

০০০০০

সমাপ্ত